পাঠ-৩

# ত্রিমাত্রিক আকৃতি

K1M5C1

আজি ৰিণিহঁতৰ বৰ আনন্দ। বাইদেৱে শ্ৰেণীকোঠালৈ মোনাত ভৰাই বহুত বস্তু আনিছে। বাইদেৱে সকলোকে টেবুলৰ চাৰিওফালে থিয় হ'বলৈ ক'লে। এইবাৰ বাইদেৱে মোনাৰ পৰা এটা এটাকৈ বস্তু উলিয়াই টেবুলত সজালে। চাওঁচোন বাইদেউৱে মোনাৰ পৰা কি কি বস্তু উলিয়ালে।



*শিক্ষক-শিক্ষয়িত্ৰীয়ে শ্ৰেণীকোঠাত ত্রিমাত্রিক জ্যামিতিক আকৃতিৰ কিছুমান বস্তু যেনে— বল, চক পেঞ্চিল, ডাষ্টাৰ, খালী টুথ্-পেইষ্টৰ বাকচ, কাগজৰ পাশতি, লুডুৰ গুটি, চক পেঞ্চিলৰ বাকচ, ব্লক, ইত্যাদি গোটাই আনি এটা এটাকৈ টেবুলত সজাব আৰু এইবোৰ ছাত্র-ছাত্রীক চাবলৈ দিব।*

*এইবাৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্র-ছাত্রীক দলত বহিবলৈ দি টেবুলৰ বস্তুবোৰ ভগাই ভালদৰে চুই চাবলৈ দিব। কোনবোৰ বস্তু চুঁচৰি যায় আৰু কোনবোৰ বস্তু বাগৰি যায় হাতে কামে কৰি চাবলৈ দিব।*



১ম দল



২য় দল



৩য় দল



৪র্থ দল




তোমালোকে কি দেখিলা?




কিছুমান বস্তু চুঁচৰি যায়, কিছুমান বাগৰি যায় আৰু কিছুমান বস্তু বাগৰিও যায় চুঁচৰিও যায়।


**তলৰ ছবিবোৰ চোৱা আৰু শুদ্ধটোত ✓ চিন দিয়া-**




চুঁচৰি যায়/বাগৰি যায়




অকল চুঁচৰি যায়/চুঁচৰিও যায় বাগৰিও যায়




অকল চুঁচৰি যায়/চুঁচৰিও যায় বাগৰিও যায়



চুঁচৰি যায়/বাগৰি যায়



চুঁচৰি যায়/বাগৰি যায়



চুঁচৰি যায়/বাগৰি যায়

গোল আকৃতিৰ বস্তুবোৰ চাওঁ আহা-




যেনে— **বল**
ইয়াৰ পিঠি এখন
চুক নাই
কাষ নাই

*গোল গোল গোল*
*খেলা বল গোল*
*আমলখি গোল*
*কোৰাচোন কোৰা*
*আৰু কি কি গোল?*

| গোল আকৃতিৰ বস্তুৰ তালিকা কৰা |
|---|
| |
| |
| |
| |


আয়তীয় ঘনকৰ বস্তুবোৰ চাওঁ আহা—



যেনে— বাকচ
ইয়াৰ পিঠি ৬খন
চুক ৮টা
কাষ ১২টা
বিপৰীত পিঠিবোৰ সমান

| আয়তীয় ঘনক আকৃতিৰ বস্তুৰ তালিকা কৰা |
|---|
| |
| |
| |
| |

ঘনক আকৃতিৰ বস্তুবোৰ চাওঁ আহা—



যেনে— পাশতি
ইয়াৰ পিঠি ৬খন
চুক ৮টা
কাষ ১২টা
সকলো পিঠি সমান।

| ঘনক আকৃতিৰ বস্তুৰ তালিকা কৰা |
|---|
| |
| |
| |
| |

***শিক্ষকলৈ নিৰ্দেশনা ঃ*** *শিক্ষকে ঘনক আৰু আয়তীয় ঘনকৰ পাৰ্থক্যখিনি বুজাই দিব।*

চুঙা আকৃতিৰ বস্তুবোৰ চাওঁ আহা-



যেনে — **চক পেঞ্চিল**

ইয়াৰ পিঠি ৩খন

চুক নাই

কাষ ২টা

**চুঙা আকৃতিৰ বস্তুৰ তালিকা কৰা**

______

______


______

______

**তলৰ ছবিবোৰ চাই কাৰ কি আকৃতি খালী ঠাইত লিখা-**



__________ আকৃতি



__________ আকৃতি



__________ আকৃতি



__________ আকৃতি

**আৰু এবিধ আকৃতিৰ লগত চিনাকি হওঁ আহা-**










এইবোৰ শংকু আকৃতিৰ। ইয়াৰ পিঠি, কাষ আৰু চুকবোৰ মন কৰি কি কি পালা দলত আলোচনা কৰি কোৱা।

**তুমি কেইটামান শংকু আকৃতিৰ বস্তুৰ নাম লিখা-**


--------- --------- --------- ---------

ডাইচ্ বা পাশতি সাজোঁ আহা-

- চাৰ্ট কাগজত তলত দিয়া ধৰণে আঁকি লোৱা-




- ৰঙা চিনে চিনে কাটি লোৱা।
- ডট্ চিন থকা শাৰীবোৰ ভাঁজ কৰা।
- জোৰাবোৰত চেল'টেপেৰে আঠা লগাই দিয়া।
- এতিয়া তুমি এটা ঘনক পালা।
- ঘনকৰ প্ৰতি পিঠিত '●' আঁকিবা।
- প্ৰতিখন পিঠিত এটাকৈ '●'ৰ সংখ্যা বঢ়াই দিবা।



*শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক ডাইচ্ বা পাশতি সজোৱা কাৰ্যত সহায় কৰিব আৰু সজা ডাইচ্ বা পাশতিবোৰ শ্ৰেণীকোঠাৰ শিকন কোণত সজাই থ'ব।*

মুক্ত হাতেৰে আঁকি চোৱা-



এইবিলাক হ'ল একা বেঁকা আঁচ। এনেকুৱা একা বেঁকা আঁচবোৰেই হ'ল বেঁকা ৰেখা।

**ক্ৰিকেট খেল-**

আজি বিদ্যালয়ত ক্ৰিকেট খেল আছে। ৰিনিয়ে দেখিলে খেলপথাৰত কেইডালমান ষ্টাম্প মাটিত থিয় হৈ আছে, এডাল ষ্টাম্প পৰি আছে আৰু এডাল ষ্টাম্প হেলনীয়া হৈ আছে।



ৰিনিয়ে দেখা ষ্টাম্প কেইডাল আনক বুজাবলৈ তলত দিয়া ধৰণেৰে কাগজত আঁচ টানি দেখুৱালে-



থিয়কৈ থকা ষ্টাম্প বুজাবলৈ



হেলনীয়াকৈ থকা ষ্টাম্প বুজাবলৈ



মাটিত পৰি থকা ষ্টাম্প বুজাবলৈ

এতিয়া তলৰ ছবিবোৰলৈ চাই ষ্টাম্পকেইডাল কিদৰে আছে লিখা-







________ কৈ আছে     ________ কৈ আছে     ________ পৰি আছে

তলত দিয়া ব্যায়ামৰ তিনিটা অনুশীলন মন কৰা আৰু নিজে কৰিবলৈ চেষ্টা কৰা-



ছবিত দেখা হাতৰ নিচিনাকৈ তোমালোকে স্কেলৰ সহায়ত তলত দিয়া ধৰণে আঁচ আঁকিব পাৰা-

তোমালোকে যি আঁকি পালা সেইবোৰেই হ'ল **সৰল ৰেখা**।



**বুজোঁ আহা -** স্কেলৰ সহায়ত যি পোন ৰেখা অঁকা হ'ল সেইবোৰ **সৰল ৰেখা**।
মুক্ত হাতেৰে অঁকা ৰেখাবোৰ পোন নহয়। এইবোৰ **বেঁকা ৰেখা**।

**বিন্দুবোৰ সৰল আৰু বেঁকা ৰেখাৰে লগ লগাই কিছুমান নমুনা সাজা-**

